**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-05-2024
**Time :** 1845 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::::::**

১। কাইলৈ দেশৰ ৫৮টা সংসদীয় সমষ্টিত লোকসভা নিৰ্বাচন ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণ। ষষ্ঠ পৰ্যায়ত জ্যেষ্ঠ বিজেপি নেতা ধৰ্মেন্দ্ৰ প্ৰধান, মানেকা গান্ধী সম্বিত পাত্ৰ, কংগ্ৰেছ নেতা দিপেন্দৰ সিং হুদাৰ ভাগ্য নিৰ্ণয়।

২। অহা ১ জুনত হ'বলগীয়া অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে নিৰ্বাচনী প্ৰচাৰ অব্যাহত। হিমাচল প্ৰদেশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনসভা। পঞ্জাৱত কংগ্ৰেছ নেতা শচীন পাইলটৰ নিৰ্বাচনী প্ৰচাৰ।

৩। প্ৰতিৰক্ষা গৱেষণাৰ লগত জড়িত লোকক দেশৰ শক্তি বৃদ্ধি আৰু আত্মনিৰ্ভৰশীলতাৰ বাবে নতুন প্ৰযুক্তিৰে আগবাঢ়ি যাবলৈ প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাৰ অধ্যক্ষ ড০ সমীৰ ভি কামাটৰ তেজপুৰত আহ্বান।

৪। ৰাজ্যৰ সত্ৰ-নামঘৰত মহাপুৰুষ মাধৱদেৱৰ আৱিৰ্ভাৱ তিথি উলহ-মালহেৰে পালন। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি চেন্নাইত হ'বলগীয়া দ্বিতীয় কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মুখামুখি।

০০০০০০০

দেশৰ ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৮টা সংসদীয় সমষ্টিত কাইলৈ হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। এই পৰ্যায়ত কাইলৈ পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। সমষ্টিসমূহৰ ভিতৰত বিহাৰৰ ৮টা, হাৰিয়ানাৰ ১০ টা, জম্মু-কাশ্মীৰৰ এটা, ঝাৰখণ্ডৰ ৪টা, দিল্লীৰ ৭টা, ওড়িশাৰ ছটা, উত্তৰ প্ৰদেশৰ ১৪টা আৰু পশ্চিমবংগৰ ৮টা সমষ্টি আছে। এই সমষ্টি কেইটাৰ বাবে মুঠ ৮৮৯গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

এই পৰ্যায়ত জ্যেষ্ঠ বিজেপি নেতা ধৰ্মেন্দ্ৰ প্ৰধান, মানেকা গান্ধী, মনোহৰ লাল খট্টৰ, সম্বিত পাত্ৰ, কংগ্ৰেছ নেতা দিপেন্দৰ সিং হুদা, কুমাৰী ছেলজা, ৰাজ বাববৰ, সমাজবাদী পাৰ্টিৰ নেতা ধৰ্মেন্দ্ৰ যাদৱ, পি ডি পিৰ মুৰব্বী মেহবুবা মুফটিৰ ভাগ্য নিৰ্ণয় হ'ব।

দেশৰ ৰাজধানী দিল্লীত ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। দিল্লীত এই পৰ্যায়ত সাতটা সংসদীয় সমষ্টিত মুঠ ১ কোটি ৫২ লাখ ভোটদাতাই ১৬২গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। এই প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ মনোজ তিৱাৰী আৰু বান্সুৰি স্বৰাজ, আম আদমী পাৰ্টিৰ সোমনাথ ভাৰতী আৰু কুলদ্বীপ কুমাৰ তথা কংগ্ৰেছৰ কনহায়া কুমাৰ আৰু জে পি আগৰৱাল অন্যতম। আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে নিৰ্বাচন সুকলমে তথা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে ব্যাপক ব্যৱস্থা গঢ়ি তোলা হৈছে। চহৰখনত স্থাপন কৰা মুঠ ১৩ হাজাৰ ৬৩৭টা ভোটোগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ৭০টা গোলপীয়া ভোটগ্ৰহণ কেন্দ্ৰ আছে। এই গোলপীয়া ভোটগ্ৰহণ কেন্দ্ৰসমূহ সম্পূৰ্ণৰূপে মহিলাৰ দ্বাৰা পৰিচালনা কৰা হ'ব। আনহাতে, প্ৰথমবাৰৰ বাবে প্ৰতিটো সংসদীয় সমষ্টিতে বিশেষভাৱে সক্ষম লোকে সম্পূৰ্ণ ৰূপে পৰিচালনা কৰা একোটাকৈ ভোটকেন্দ্ৰও স্থাপন কৰা হৈছে।

ইপিনে, জম্মু আৰু কাশ্মীৰত কাইলৈ ষষ্ঠ পৰ্যায়ত ২৫ হাজাৰৰো অধিক কাশ্মিৰী প্ৰব্ৰজনকাৰীয়ে অনন্তনাগ-ৰাজৌৰি সমষ্টিত ভোটদান কৰিব। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা তথ্য অনুসৰি জম্মু আৰু উধমপুৰত কাইলৈ ভোটগ্ৰহণৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। সেই অনুসৰি ৩৪টা বিশেষ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। আনহাতে, ভোটগ্ৰহণ কেন্দ্ৰ আৰু অন্যান্য স্থানসমূহৰ নিৰাপত্তাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ অৰ্ধ-সামৰিক বাহিনীৰ ১৫০টা গোটৰ লগতে জম্মু-কাশ্মীৰ সশস্ত্ৰ আৰক্ষী তথা ভাৰতীয় সশস্ত্ৰ বাহিনীৰ জোৱান নিয়োগ কৰা হৈছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। হিমাচল প্ৰদেশত অহা ১ জুনত হ'বলগীয়া সপ্তম পৰ্যায়ৰ ভোটগ্ৰহণৰ লগতে ছটা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। ৰাজ্যখনত বিজেপি আৰু কংগ্ৰেছৰ তাৰকা প্ৰচাৰকসকলে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰোড শ্ব', ৰেলী আদিকে ধৰি বিভিন্ন ধৰণে নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি হিমাচল প্ৰদেশৰ মান্দি আৰু ছিমলাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ

চলায়। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে ঝাৰখণ্ডৰ ডুমকা লোকসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

আনহাতে, কংগ্ৰেছ নেতা শচীন পাইলটে আজি শ্ৰীআনন্দপুৰ চাহিব লোকসভা সমষ্টিত প্ৰচাৰ চলায়। বহুজন সমাজ পাৰ্টীৰ নেত্ৰী মায়াবতীয়েও আজি পাঞ্জাবৰ নৱনছেহৰ চহৰত প্ৰচাৰ অভিযানত অংশ লয়।

আনহাতে, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কাইলৈ ছিমলাৰ ৰোহৰুত প্ৰচাৰ অভিযানত ভাগ ল'ব। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও কাইলৈ ছিমলাৰ নাহানত এটা ৰেলীত অংশগ্ৰহণ কৰাৰ লগতে দেওবাৰে হামিৰপুৰ সংসদীয় সমষ্টিৰ উনাত প্ৰচাৰ অভিযানত ভাগ ল'ব।

০০০০০০০

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন বিভাগৰ সচিব আৰু প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাৰ অধ্যক্ষ ড০ সমীৰ ভি কামাত আৰু লাইফ চায়েন্সেছৰ সঞ্চালক প্ৰধান ড০ ইউ কে সিঙে কালি তেজপুৰস্থিত প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাৰ লগতে প্ৰতিৰক্ষাৰ পৰীক্ষাগাৰ পৰিদৰ্শন কৰে। তেওঁলোকৰ প্ৰতিৰক্ষা গৱেষণা পৰীক্ষাগাৰৰ সঞ্চালক ড০ ডি ভি কম্বোজে আদৰণি জনোৱাৰ লগতে পৰীক্ষাগাৰটোত সম্পন্ন হৈ থকা বিভিন্ন পৰীক্ষা সম্পৰ্কে অৱগত কৰে। ভাষণ প্ৰসঙ্গত ড০ সিঙে সামৰিক বাহিনীয়ে যাতে প্ৰত্যক্ষভাৱে লাভান্বিত হয় তাৰ বাবে গৱেষক আৰু সংশ্লিষ্ট গৱেষণাৰ সৈতে জড়িত উদ্যোগৰ সমন্বিত প্ৰয়াসৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে, ডি আৰ ডি অ'ৰ অধ্যক্ষ ড০ কামাটে বিজ্ঞানী বিষয়া আৰু প্ৰতিৰক্ষা গৱেষণা পৰীক্ষাগাৰৰ গৱেষণাৰ লগত জড়িত লোকসকলক দেশৰ শক্তি বৃদ্ধি আৰু আত্মনিৰ্ভৰশীলতাৰ বাবে নতুন প্ৰযুক্তিৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। এই ভ্ৰমণে দেশৰ নিৰাপত্তা বাহিনীসমূহলৈ তেজপুৰস্থিত প্ৰতিৰক্ষা গৱেষণাগাৰ আৰু সংস্থাৰ আধুনিক প্ৰযুক্তিৰে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱাৰ কথা প্ৰতিফলিত কৰে।

০০০০০০০

মটক ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ আজি ২২২ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাত অদম্য সাহস, কৰ্তব্যনিষ্ঠা আৰু বীৰত্বৰ প্ৰতীক মটক ৰজাগৰাকীৰ কৰ্মস্পৃহা আৰু দূৰদৰ্শী নেতৃত্ব তথা চিন্তাধাৰাৰে জাতীয় জীৱনৰ কল্যাণ আৰু উন্নয়নৰ হকে কাম কৰি যাবলৈ ৰাজ্যৰ জনসাধাৰণক অনুপ্ৰাণিত কৰি আহিছে বুলি প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়াত আয়োজিত এটা কাৰ্যসূচীত উপস্থিত থাকি মহান ৰজাগৰাকীৰ আদৰ্শৰে উদ্বুদ্ধ হৈ বৰ্তমান সময়ত সকলোৰে আগবাঢ়ি যাব লাগিব বলি মন্তব্য কৰে। তিনিচুকীয়া নগৰৰ তিনিকোণীয়াত মটক ৰাজবংশ উন্নয়ন সমিতি আৰু সদৌ অসম মটক সন্মিলনৰ উদ্যোগত আৰু মটক জনগোষ্ঠীয় সংগঠনসমূহৰ সহোগত আয়োজন কৰা কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যৰ প্ৰসিদ্ধ ৰজা মহাৰজা তথা বীৰ বীৰাংগনাৰ গুণানুকীৰ্তন কৰিলে নৱ প্ৰজন্ম উদ্বুদ্ধ হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ ৰাজ্যখনৰ জনগোষ্ঠীসমূহৰ উন্নয়নৰ দ্বাৰাহে অসমৰ সৰ্বাংগীন উন্নয়ন সম্ভৱ বুলি প্ৰকাশ কৰি এই ক্ষেত্ৰত জনগোষ্ঠীসমূহে বিজ্ঞানসন্মত দৃষ্টিভংগীৰে আগবাঢ়ি যাব লাগিব বুলি অৱগত কৰে। আজিৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি স্বৰ্গদেউগৰাকীৰ ২২ ফুট দৈৰ্ঘ্যৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। আজিৰ অনুষ্ঠানত মটক ৰাজবংশ উন্নয়ন সমিতিৰ সভাপতি হেমন্ত গোঁহাইকে ধৰি ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

গোলাঘাট জিলাৰ আৰক্ষী নিবাসৰ খেলপথাৰত আজি প্ৰায় ১ কোটি ৩৩ হাজাৰ টকা মূল্যৰ মাদক দ্ৰব্য তথা নিচাযুক্ত সামগ্ৰী দহন কৰা হয়। এই কাৰ্যসূচীত উপস্থিত থাকি গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক ৰাজেন সিঙে কয় যে, চলিত বৰ্ষৰ ১ জানুৱাৰীৰ পৰা এই পৰ্যন্ত জিলাখনত ১৪টা মাদক দ্ৰব্য সম্পৰ্কীয় গোচৰ ৰুজু হোৱাৰ লগতে ২৮ জন মাদক দ্ৰব্য ব্যৱসায়ীৰ পৰা ২৫ কোটি টকাৰ নিচাযুক্ত সামগ্ৰী আৰু ৩০ খন বাহন জব্দ কৰা হৈছে।

০০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ কাইলৈ সন্ধিয়া ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া **দৃষ্টিপাত** অনুষ্ঠানত **নতুন ফৌজদাৰী আইন** সন্দৰ্ভত আলোচনা কৰা হ'ব। এই অনুষ্ঠানত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান মুন্নাপ্ৰসাদ গুপ্তা অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০০০০

ৰাজ্যৰ বিভিন্ন সত্ৰ-নামঘৰত আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৫ সংখ্যক আবিৰ্ভাৱ তিথি উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। মাধৱদেৱৰ আবিৰ্ভাৱ তিথিৰ সৈতে সংগতি ৰাখি অসম একশৰণ ভাগৱতী সমাজে আজিৰেপৰা মৰিগাঁৱৰ বৰদল পালনাম

থানত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে। ঐতিহ্যমণ্ডিত থানখনত আজি পুৱা মাংগলিক পৰম্পৰাৰে গুৰু আসন প্ৰতিষ্ঠা কৰা হয়। একশৰণ ভাগৱতী সমাজৰ আচাৰ্য দেহেশ্বৰ বৰাই নৱনিৰ্মিত মণিকূটত আনুষ্ঠানিকভাৱে সিংহাসন প্ৰতিষ্ঠা কৰাৰ পাছত বৰদল গাঁৱৰ গায়ন-বায়নৰ খোল প্ৰসংগ অনুষ্ঠিত হয়। কাইলৈ গুণমালা, ধৰ্মালোচনী সভাৰ লগতে ২০০ গৰাকী যুৱক-যুৱতীক শৰণ-ভজনৰ দিহা কৰা হৈছে।

ইফালে, মহাপুৰুষ মাধৱদেৱ স্থাপিত বৰপেটাৰ সুন্দৰীদিয়া সত্ৰত কালিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হৈছে। বাৰাদি সত্ৰতো বিস্তৃত কাৰ্যসূচীৰে মাধৱদেৱৰ আবিৰ্ভাৱ মহোৎসৱ পালন কৰা হয়।

মহাপুৰুষজনাৰ দ্বাৰা স্থাপিত বৰপেটা সত্ৰতো আজি মহাপুৰুষজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হয়। এই উপলক্ষে ভকত, আই-মাতৃয়ে পুৱাৰ নিত্য প্ৰসংগৰ লগতে অতিৰিক্ত প্ৰসংগত অংশগ্ৰহণ কৰে। যোৰহাট জিলাৰ ঢেকীয়াখোৱা বৰনামঘৰত দিনজোৰা কাৰ্যসূচীৰে মাধৱদেৱৰ আবিৰ্ভাৱ তিথি পালন কৰা হয়। নগাঁৱৰ বটদ্ৰৱা থানৰ লগতে গোলাঘাট জিলাৰ আঠখেলীয়া নামঘৰতো মাধৱদেৱৰ আবিৰ্ভাৱ তিথি উপলক্ষে বৈষ্ণৱ ভকতে নাম-কীৰ্ত্তনেৰে গুৰুবন্দনা কৰে। গোৱালপাৰা আৰু ধুবুৰী জিলাৰ বিভিন্ন প্ৰান্ততো মাধৱদেৱৰ আবিৰ্ভাৱ তিথি উলহ-মালহেৰে পালন কৰা হয়। এই উপলক্ষে গোৱালপাৰা নগৰৰ বামুণপাৰাত থকা নয়াবন্তি সত্ৰত তিনিদিনীয়াকৈ বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। কালি নগৰ পৰিভ্ৰমণৰ জৰিয়তে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। আজি অখণ্ড পালনাম অনুষ্ঠিত হোৱাৰ লগতে কাইলৈ সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০০

গোৱালপাৰা জিলাৰ দুধনৈ ৰাজহুৱা খেলপথাৰত তিনিদিনীয়া কাৰ্যসূচীৰে ৰাভা জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ বাইখো পালন কৰা হৈছে। নিখিল ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত এই উৎসৱ উপলক্ষে আজি সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। গোৱালপাৰা জিলা আয়ুক্ত খনিন্দ্ৰ চৌধুৰীয়ে এই সাংস্কৃতিক শোভাযাত্ৰাৰ ফ্লেগ অফ কৰে।

০০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই ক্ৰীড়া কোটাৰ অধীনত পুৰুষ আৰু মহিলাৰ ২৪টা পদৰ বাবে নিযুক্তিৰ অধিসূচনা প্ৰকাশ কৰিছে। ভাৰতীয় নাগৰিক আৰু যোগ্যতাৰ সকলো মাপকাঠি পূৰ্ণ কৰা ক্ৰীড়া ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিসকলে এই আবেদন দাখিল কৰিব পাৰিব। এই নিযুক্তি লেবেল একৰ পৰা পঞ্চমলৈকে বিভিন্ন পদৰ বাবে হ'ব। পদসমূহৰ বাবে আবেদনৰ অন্তিম দিন ৯ জুন ধাৰ্য্য কৰা হৈছে। আগ্ৰহী প্ৰাৰ্থীয়ে www.nfr.indianrailways.gov.in ৱেবচাইট যোগে আবেদন কৰিব পাৰিব। ভাৰোত্তোলন, গল্ফ, বক্সিং, চাইক্লিং, ক্ৰিকেট, বেডমিণ্টন, ফুটবল, টেবল টেনিচ খেলুৱৈসকলে এই পদসমূহৰ বাবে অনলাইন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি আবেদন কৰিব পাৰিব। নিযুক্তিৰ বাবে লেভেল চাৰি আৰু পাঁচ পদত আবেদন কৰা প্ৰাৰ্থীসকলৰ বাবে ১ জুলাই ২০২৪ আৰু লেভেল ১ৰ পৰা ৩ নম্বৰ পদৰ বাবে আবেদনকাৰী প্ৰাৰ্থীসকলৰ নিৰ্ধাৰিত বয়সৰ সীমা চলিত বছৰৰ ১ জানুৱাৰীলৈ ১৮ৰ পৰা ২৫ বছৰৰ ভিতৰত ধাৰ্য্য কৰা হৈছে। অহা ২০ আৰু ২৮ জুনত প্ৰাথমিক বাছনি অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে আৰু প্ৰাৰ্থীসকলে সংশ্লিষ্ট ভাষাৰ বাবে নিজক সাজু কৰিব লাগিব। উত্তৰ-পূব সীমান্ত ৰে'লৱেই আন্তৰ্জাতিক মানৰ খেলুৱৈ চিনাক্ত কৰি তেওঁলোকৰ ক্ৰীড়া প্ৰতিভা বিকশাই তোলাৰ বাবে এই সুযোগ প্ৰদান কৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা ৪ জুনত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউটিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০০০০০

যোৰহাট জিলাৰ পটিয়া ফকলা গাঁও পঞ্চায়তৰ সভাগৃহত আজি তৈল পাম খেতি সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। এই সজাগতা সভাত জিলা কৃষি সম্প্ৰসাৰণ বিষয়া দিগন্ত শৰ্মাই জনসাধাৰণক তৈল পাম খেতি সন্দৰ্ভত সবিশেষ অৱগত কৰে।

০০০০০০০০০

অসম অভিযান্ত্ৰিক মহাবিদ্যালয়, ক্লাছ ৮৮ ফাউণ্ডেছনে ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেডৰ সহায়ত গোৱালপাৰা জিলাৰ বাদুংদুপ্পা কলা কেন্দ্ৰত নিৰ্মাণ কৰা চাৰিসীমাৰ বেৰ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পুনৰ্নিৰ্মাণ

কৰা আৱাস গৃহও মুকলি কৰা হয়। এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত গোৱালপাৰা জিলাৰ সহ আয়ুক্তৰ লগতে অসম অভিযান্ত্রিক মহাবিদ্যালয়, ক্লাছ ৮৮ৰ কেইবাগৰাকীও সদস্য উপস্থিত থাকে।

০০০০০০০

চৰাইদেউ জিলাৰ মথুৰাপুৰ ৰাঙলীচুক তিনিআলিত আজি থলুৱাভাৱে উৎপাদিত সামগ্ৰীৰ এখন গ্ৰাম্য সাপ্তাহিক বজাৰ মুকলি কৰা হয়। সোণাৰীৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে এই বজাৰখন আনুষ্ঠানিকভাৱে মুকলি কৰি এনে ধৰণৰ বজাৰে গ্ৰাম্য অৰ্থনীতি আৰু কৰ্মসংস্কৃতিৰ ক্ষেত্ৰত বিশেষ অৰিহণা গ্ৰহণ কৰিব বুলি মন্তব্য কৰে। ইয়াৰ উপৰি স্থানীয় খেতিয়কসকলে নিজৰ উৎপাদিত কৃষিজাত সামগ্ৰী বজাৰত বিক্ৰী কৰি স্বাৱলম্বী হোৱাৰ লগতে এই ক্ষেত্ৰত নতুন প্ৰজন্মক উদ্বুদ্ধ কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

ৰাজস্থান ৰয়েলছ আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাৰ পৰা অনুষ্ঠিত হ'ব। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে দেওবাৰে ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

উল্লেখযোগ্য যে কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমখন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদক পৰাস্ত কৰি ইতিমধ্যে প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০০০

ভাৰতৰ বেডমিণ্টন তাৰকা পি ভি সিন্ধুৱে মালয়েছিয়াৰ কুৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। দুবাৰকৈ অলিম্পিকৰ পদক জয়ী সিন্ধুৱে আজি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত চীনৰ হান য়ুইক ২১-১৩, ১৪-২১, ২১-১২ গেমত পৰাস্ত কৰে। অৱশ্যে, মহিলাৰ ছিংগলছৰ আন এখন কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ অস্মিতা চলিহা চীনৰ ঝেং য়ি মেনৰ হাতত ১০-২১, ১৫-২১ গেমত পৰাজিত হয়।

আনহাতে, ভাৰতৰ কিৰণ জৰ্জ মালয়েছিয়াৰ জি জিয়ালিৰ হাতত ১৩-২১, ১৮-২১ গেমত পৰাজিত হৈ পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ পৰা বাহিৰ হোৱাৰ লগতে ছাই প্ৰতীক আৰু কৃষ্ণ প্ৰসাদ গৰ্গৰ যুটীটো পুৰুষৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চীনৰ প্ৰতিদ্বন্দ্বীৰ হাতত পৰাজিত হয়। তৃষা জলী আৰু গায়ত্ৰী গোপাচাণ্ডৰ ভাৰতীয় যুটীটোও মহিলাৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত টাইৱানৰ প্ৰতিদ্বন্দ্বিৰ হাতত পৰাভূত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০০০০০

সমাপ্ত